# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 01-12-2024
**Time :** 01-40 Hrs

***Assamese Midday Bulletin***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নাগালেণ্ডৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একেৰাহে দ্বিতীয় দিনাৰ বাবে সৰ্বভাৰতীয় বাৰ্ষিক আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকৰ সন্মিলনত অংশগ্ৰহণ কৰিব।

৩। তামিলনাডু আৰু পুডুচেৰীৰ উপকূলৰ সমীপত সাগৰীয় ঘূৰ্ণিবতাহ ফেংগলে যোৱা নিশা খুন্দা মাৰিছে।

৪। কহিমাৰ সমীপৰ কিচামা গাওঁত বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হৈছে। ***আৰু***

৫। ২০২৪ বৰ্ষৰ লক্ষ্ণৌৰ বাবু বানাৰসী দাস ইউ পি বেডমিণ্টন একাডেমীত ছৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় টুৰ্ণামেণ্টৰ চূড়ান্ত পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'ব।

*০০০*

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নাগালেণ্ডৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে ঐতিহ্য, উদ্ভিদ তথা প্ৰাণীৰে চহকী নাগালেণ্ড এখন সাহসী ৰাজ্য। বিভিন্ন উন্নয়নমূলক ক্ষেত্ৰত নাগলেণ্ডৰ অগ্ৰগতিৰ প্ৰশংসা কৰি শ্ৰীমুৰ্মুৱে ৰাজ্যখনৰ জনসাধাৰণক শান্তিপূৰ্ণ সমৃদ্ধিশালী আৰু প্ৰগতিশীল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে প্ৰানৱন্ত সংস্কৃতি আৰু প্ৰকৃতিৰ সৈতে গভীৰ সম্প্ৰীতিৰে নাগালেণ্ড সচাকৈয়ে এখন মনোমোহা ৰাজ্য। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে, চহকী সংস্কৃতি আৰু ৰাজ্যখনৰ জনসাধাৰণৰ মনোমোহা প্ৰকৃতিৰ বাবে নাগালেণ্ডখন বহুলভাৱে প্ৰশংসনীয়। তেঁও লগতে কয়, যে কৰ্তব্য পৰায়ণতা আৰু সহানুভুতিশীলতাৰ বাবে নাগা সংস্কৃতি জনাজাত। ৰাজ্যখনৰ অনাগত সময়ৰ অগ্ৰগতিৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

*০০০*

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একেৰাহে দ্বিতীয় দিনাৰ বাবে সৰ্বভাৰতীয় বাৰ্ষিক আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকৰ সন্মিলনত অংশগ্ৰহণ কৰিব। কালি তেওঁ শীৰ্ষ আৰক্ষী আৰু চোৰাংচোৱা সংস্থাৰ সৈতে আৰক্ষী আৰু নিৰাপত্তাৰ বিভিন্ন দিশ সন্দৰ্ভত দিহা পৰামৰ্শ ভাগ বতৰা কৰে। এই পৰামৰ্শসমূহ এবছৰৰ ভিতৰত ৰূপায়ণ কৰিবলৈ সকলো ৰাজ্য, কেন্দ্ৰীয় শাসিত প্ৰদেশ আৰু কেন্দ্ৰীয় সংস্থাসমূহলৈ প্ৰেৰণ কৰা হ'ব। জয়পুৰত

যোৱা বৰ্ষত অনুষ্ঠিত হোৱা সন্মিলনত আলোচিত নিৰাপত্তাৰ বিভিন্ন বিষয়ৰ অগ্ৰগতি প্ৰধানমন্ত্ৰী মোদীক অৱগত কৰোৱা হয়।

ওড়িশাৰ ভূবনেশ্বৰত তিনি দিনীয়াকৈ অনুষ্ঠিত এই সন্মিলনৰ আজি অন্তিম দিন। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভাল আৰু কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে প্ৰধানমন্ত্ৰীৰ সৈতে দেশৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ জড়িত বিভিন্ন বিষয়ে আলোচনা কৰিব। আভ্যন্তৰীণ সুৰক্ষা, নতুন অপৰাধ আইন, উপকূলীয় সুৰক্ষা, চাইবাৰ অপৰাধ, কৃত্ৰিম বুদ্ধিমত্তা আদি বিষয়ৰ ওপৰত আজিৰ কাৰ্যসূচীত আলোচনা কৰা হ'ব। এই সন্মিলনত আৰক্ষী সঞ্চালক প্ৰধান, আৰক্ষী আয়ুক্তসকল, মহাপৰিদৰ্শকসকলকে ধৰি দুশগৰাকী বিষয়াই অংশগ্ৰহণ কৰিছে। ভালেসংখ্যক বিষয়াই অনলাইনযোগে অংশগ্ৰহণ কৰিছে।

ooo

তামিলনাডু আৰু পুডুচেৰীৰ উপকূলৰ সমীপত সাগৰীয় ঘূৰ্ণিবতাহ ফেংগলে যোৱা নিশা খুন্দা মাৰিছে। যোৱা নিশা উত্তৰ তামিলনাডু আৰু পুডুচেৰী উপকূল অতিক্ৰম কৰি ফেংগলে প্ৰতিঘণ্টাত ৭০ ৰ পৰা ৮০ কিলোমিটাৰ বেগেৰে পাৰ হৈ যায়। ঘূৰ্ণিবতাহ ফেংগলৰ ফলত প্ৰৱল বৰষুণ হোৱা পুডুচেৰীৰ জলমগ্ন স্থানৰ পৰা চেন্নাই গেৰিছন বেটেলিয়নৰ ভাৰতীয় সেনাৰ জোৱানসকলে প্ৰায় এশগৰাকী আৱদ্ধ লোকক উদ্ধাৰ কৰিছে। জিলা প্ৰশাসনে সেনাক উদ্ধাৰ অভিযানৰ বাবে অনুৰোধ কৰাৰ পাছতেই এই অভিযান চলোৱা হয়। চেন্নাইৰ পৰা পুডুচেৰীলৈ আজি নিচেই পুৱা মানৱীয় আৰু দুৰ্যোগ সাহায্য আহি পায়। পুডুচেৰীৰ কৃষ্ণনগৰ অঞ্চলতো উদ্ধাৰ অভিযান চলে। ইয়াৰ কিছুমান নিৰ্দিষ্ট অঞ্চলত জলস্তৰ ৫ ফুটলৈ বৃদ্ধি পোৱাৰ ফলত প্ৰায় ৫০০ টা ঘৰ জলমগ্ন হৈ পৰে।

ooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooo

কহিমাৰ সমীপৰ কিচামা গাওঁত বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হৈছে। ৰূপালী জয়ন্তী বৰ্ষত প্ৰৱেশ কৰা এই মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বিভিন্ন নাগা ফৈদৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য বহন কৰা নৃত্য-গীতেৰে উৎসৱস্থলী মুখৰ হৈ পৰিছে।

এইবাৰৰ এই হৰ্ণবিল উৎসৱত নাগালেণ্ড চৰকাৰৰ লগতে ৰেলছ, জাপান, পেৰু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই সহযোগিতা আগবঢ়াইছে। ছিকিম আৰু তেলেংগানায়ো ১০ দিনীয়া এই মহোৎসৱত সহযোগিতা আগবঢ়াইছে। আজি সন্ধিয়া হ'বলগীয়া আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানত ৰেলছ, জাপান, পেৰু আৰু আমেৰিকা

যুক্তৰাষ্ট্ৰৰ ভাৰতস্থিত ৰাষ্ট্ৰদূতসকলক সম্বৰ্ধনা জনোৱা হ'ব। বিশিষ্ট সংগীত শিল্পী এ আৰ ৰহমানে এই উদ্বোধনী অনুষ্ঠানত গীত পৰিবেশন কৰিব বুলি আমাৰ কহিমাৰ সংবাদদাতাই জনাইছে।

০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খন্তেক সময় আগতে লক্ষিপুৰত  মহকুমা ন্যায়িক দণ্ডধীশৰ নতুন ভৱন উদ্বোধন কৰে। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বৈষ্ণৱ আৰু  ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

তেলেংগানাত কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰৰ ব্যৰ্থতা উদঙাই দিবলৈ বিজেপিয়ে ৬ ডিচেম্বৰত ৰাজ্যখনত প্ৰতিবাদ সাব্যস্ত কৰিব।    কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যিক বিজেপিৰ সভাপতি জি কিষাণ ৰেড্ডীয়ে কালি এই কথা কয়। তেওঁ কয়, যে নিৰ্বাচনৰ সময়ত কংগ্ৰেছ দলে ৰাজ্যবাসীক দিয়া প্ৰতিশ্ৰুতি ৰূপায়ণ কৰাত ব্যৰ্থ হোৱাত কোনো লোক চৰকাৰৰ কাম-কাজত সুখী হোৱা নাই। তেওঁ কয়, যে এই প্ৰতিবাদী সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অথবা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অংশগ্ৰহণ কৰিব। এই সভা হায়দৰাবাদৰ এখন ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি ৰেড্ডীয়ে কয়।

০০০

দিল্লী আৰক্ষী বাহিনীয়ে কয়, যে আম আদমী পাৰ্টীৰ বিধায়ক নৰেশ বলিয়ান আৰু দুৰ্বৃত্ত কপিল চংৱান ওৰফে নন্দুৰ মাজত হোৱা কথা বতৰাৰ বাণীবন্ধনৰ ওপৰত ভিত্তি কৰি চলোৱা অনুসন্ধান অব্যাহত আছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত অপৰাধ শাখাৰ আৰক্ষী উপায়ুক্ত সঞ্জয় কুমাৰ চৈনে কয়, যে দুৰ্বৃত্তজনৰ সৈতে থকা আপৰ বিধায়কগৰাকীৰ গোপন সম্পৰ্ক সন্দৰ্ভত  অনুসন্ধান অব্যাহত আছে।

০০০

তেলেংগানাৰ মুলুগু জিলাত আজি পুৱা আৰক্ষীৰ সৈতে বাওপন্থী উগ্ৰপন্থীৰ সৈতে হোৱা এটা মুখামুখি সংঘৰ্ষত ৭ জন উগ্ৰপন্থী নিহত হয়। নিহতসকলৰ ভিতৰত বিজাপুৰৰ বাসিন্দা তথা ৰাজ্যিক সমিতিৰ সম্পাদক ভাদ্ৰু ওৰফে পাপান্না আৰু অন্য দুজন ৰাজ্যিক সমিতিৰ সদস্য আছে। উগ্ৰপন্থী গোটটোৱে আৰক্ষী চোৰাংচোৱাৰ অভিযোগত দুজন জনজাতি লোকক হত্যা কৰাৰ পাছত এই মুখামুখি সংঘৰ্ষ ঘটে। আৰক্ষীৰ মতে আজি পুৱা ইটুৰ্ণাগাৰাম অঞ্চলত চলা এটা তালাচী অভিযানত নক্সাল বিৰোধী কমাণ্ডো গোটে উগ্ৰপন্থীৰ সন্ধান লাভ কৰে। তাৰ পাছতে দুয়োপক্ষৰ মাজত গুলিয়াগুলি চলে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা দুটা AK-47 ৰাইফল উদ্ধাৰ কৰে।

০০০

২০২৪ বৰ্ষৰ লক্ষ্ণৌৰ বাবু বানাৰসী দাস ইউ পি বেডমিণ্টন একাডেমীত ছৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় টুৰ্ণামেণ্টৰ চূড়ান্ত পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'ব। টুৰ্ণামেণ্টখনত ৫ টা খিতাপৰ বাবে ভাৰতীয় শ্বাটলাৰসকলে যুঁজ দিব। মিক্সড ডাবলছত ভাৰতীয় যুটী ধ্ৰুপ কাপিলা আৰু তানিশা ক্ৰাষ্টোৱে থাইলেণ্ডৰ যুটী দেচাপ'ল পুৱাভাৰানুক্ৰঘ আৰু সুপিচাৰা পেওচম্প্ৰণৰ বিৰুদ্ধে খেলি আছে।  ভাৰতীয় যুটীটোৱে ২১-১৮ ৰে প্ৰথমটো ছেটত জয়লাভ কৰি অগ্ৰগতি লাভ

কৰিছে। ইয়াৰ পাছতে পুৰুষৰ ডাবলছত ভাৰতীয় যুটী প্ৰুথবি কৃষ্ণমুৰ্তি ৰয় আৰু চাই প্ৰথিক কেৰে আৰু চীনৰ যুটী হোৱাং দি আৰু লিউ য়াংৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মহিলাৰ ডাবলছত ত্ৰিশা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে চীনৰ বাও লিং জিং আৰু লী কিয়ানৰ বিৰুদ্ধে খেলিব। মহিলাৰ ছিংগলছৰ ফাইনেলত ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধুৱে চীনৰ উ লু য়ু আৰু লক্ষ্য সেনে পুৰুষৰ ছিংগলছৰ ফাইনেলত ছিংগাপুৰৰ জিয়া হেং যাচন তেহৰ বিৰুদ্ধে খেলিব। ফাইনেল মেচখন আজি বিয়লি অনুষ্ঠিত হ'ব।

০০০

সমাপ্ত